This Booklet contains **20** printed pages.
इस पुस्तिका में **20** मुद्रित पृष्ठ हैं।

# AK14I

**Test Booklet No.**
**परीक्षा पुस्तिका संख्या**

3

## PAPER—I / प्रश्न-पत्र—I

## ASSAMESE LANGUAGE SUPPLEMENT / असमीया भाषा परिशिष्ट

## PART—IV & V / भाग—IV & V

**Test Booklet Code**
**परीक्षा पुस्तिका संकेत**

# K

Do not open this Test Booklet until you are asked to do so.
इस परीक्षा पुस्तिका को तब तक न खोलें जब तक कहा न जाए।
Read carefully the Instructions on the Back Cover (Pages 19 & 20) of this Test Booklet.
इस परीक्षा पुस्तिका के पिछले आवरण (पृष्ठ 19 व 20) पर दिए गए निर्देशों को ध्यान से पढ़ें।
**For Instructions in Assamese see Page 2 of this Booklet.**
**असमीया में निर्देशों के लिए इस पुस्तिका का पृष्ठ 2 देखें।**

### *Instructions for Candidates :*

1. This booklet is a supplement to the Main Test Booklet for those candidates who wish to answer **EITHER** Part—IV (Language—I) **OR** Part—V (Language—II) in **ASSAMESE** language, but **NOT BOTH.**
2. Candidates are required to answer Parts—I, II, III from the Main Test Booklet and Parts—IV and V from the languages chosen by them.
3. Questions on English and Hindi languages for Part—IV and Part—V have been given in the Main Test Booklet. Language Supplements can be asked for separately.
4. Use **Blue/Black Ballpoint Pen only** for writing particulars on this page/marking responses in the Answer Sheet.
5. The CODE for this Language Booklet is **K**. Make sure that the CODE printed on **Side-2** of the Answer Sheet and on your Main Test Booklet is the same as that on this Language Supplement Booklet. In case of discrepancy, the candidate should immediately report the matter to the Invigilator for replacement of the Language Supplement Test Booklet.
6. This Test Booklet has **Two** Parts—IV and V, consisting of **60** Objective-type Questions and each carrying 1 mark :

   Part–IV : Language–I (Assamese) (Q. Nos. 91–120)
   Part–V : Language–II (Assamese) (Q. Nos. 121–150)
7. Part-IV contains 30 questions for Language–I and Part–V contains 30 questions for Language–II. In this Test Booklet, only questions pertaining to Assamese Language have been given. **In case the language(s) you have opted for as Language–I and/or Language–II is a language other than Assamese, please ask for a Test Booklet that contains questions on that Language. The languages being answered must tally with the languages opted for in your Application Form.**
8. **Candidates are required to attempt questions in Part–V (Language–II) in a language other than the one chosen as Language–I (in Part–IV) from the list of languages.**
9. Rough work should be done only in the space provided in the Test Booklet for the same.
10. The answers are to be recorded on the OMR Answer Sheet only. Mark your responses carefully. No whitener is allowed for changing answers.

### *परीक्षार्थियों के लिए निर्देश :*

1. यह पुस्तिका मुख्य परीक्षा पुस्तिका की एक परिशिष्ट है, उन परीक्षार्थियों के लिए जो या तो भाग—IV (भाषा—I) **या** भाग—V (भाषा—II) **असमीया** भाषा में देना चाहते हैं, लेकिन **दोनों नहीं।**
2. परीक्षार्थी भाग—I, II, III के उत्तर मुख्य परीक्षा पुस्तिका से दें और भाग—IV व V के उत्तर उनके द्वारा चुनी भाषाओं से।
3. अंग्रेज़ी व हिन्दी भाषा पर प्रश्न मुख्य परीक्षा पुस्तिका में भाग—IV व भाग—V के अन्तर्गत दिए गए हैं। भाषा परिशिष्टों को आप अलग से माँग सकते हैं।
4. इस पृष्ठ पर विवरण अंकित करने एवं उत्तर-पत्र पर निशान लगाने के लिए **केवल नीले/काले बॉलपॉइंट पेन** का प्रयोग करें।
5. इस भाषा पुस्तिका का **संकेत K** है। यह सुनिश्चित कर लें कि इस भाषा परिशिष्ट पुस्तिका का संकेत, उत्तर-पत्र के **पृष्ठ-2** एवं मुख्य परीक्षा पुस्तिका पर छपे संकेत से मिलता है। अगर यह भिन्न हो, तो परीक्षार्थी दूसरी भाषा परिशिष्ट परीक्षा पुस्तिका लेने के लिए निरीक्षक को तुरन्त अवगत कराएँ।
6. इस परीक्षा पुस्तिका में **दो** भाग—IV और V हैं, जिनमें **60** वस्तुनिष्ठ प्रश्न हैं तथा प्रत्येक 1 अंक का है :

   भाग–IV : भाषा–I (असमीया) (प्रश्न सं॰ 91–120)
   भाग–V : भाषा–II (असमीया) (प्रश्न सं॰ 121–150)
7. भाग–IV में भाषा–I के लिए 30 प्रश्न और भाग–V में भाषा–II के लिए 30 प्रश्न दिए गए हैं। इस परीक्षा पुस्तिका में केवल असमीया भाषा से सम्बन्धित प्रश्न दिए गए हैं। **यदि भाषा–I और/या भाषा–II में आपके द्वारा चुनी गई भाषा(एँ) असमीया के अलावा है/हैं, तो कृपया उस भाषा वाली परीक्षा पुस्तिका माँग लें। जिन भाषाओं के प्रश्नों के उत्तर आप दे रहे हैं वह आवेदन पत्र में चुनी गई भाषाओं से अवश्य मेल खानी चाहिए।**
8. **परीक्षार्थी भाग–V (भाषा–II) के लिए, भाषा सूची से ऐसी भाषा चुनें जो उनके द्वारा भाषा–I (भाग–IV) में चुनी गई भाषा से भिन्न हो।**
9. रफ़ कार्य परीक्षा पुस्तिका में इस प्रयोजन के लिए दी गई खाली जगह पर ही करें।
10. सभी उत्तर केवल OMR उत्तर-पत्र पर ही अंकित करें। अपने उत्तर ध्यानपूर्वक अंकित करें। उत्तर बदलने हेतु श्वेत रंजक का प्रयोग निषिद्ध है।

Name of the Candidate (in Capitals) : ______________________
परीक्षार्थी का नाम (बड़े अक्षरों में)

Roll Number (in figures) : ______________________
अनुक्रमांक (अंकों में)

(in words) : ______________________
(शब्दों में)

Centre of Examination (in Capitals) : ______________________
परीक्षा-केन्द्र (बड़े अक्षरों में)

Candidate's Signature : ______________________
परीक्षार्थी के हस्ताक्षर

Invigilator's Signature : ______________________
निरीक्षक के हस्ताक्षर

Facsimile signature stamp of Centre Superintendent ______________________

**03-I**

এই পৰীক্ষা-বহীত **20**টা পৃষ্ঠা আছে

# AK14I

পৰীক্ষা-বহীখনৰ কোড

**K**

## কাকত—I

## অসমীয়া ভাষা

## খণ্ড—IV & V

এই পৰীক্ষা-বহীখন তোমাক খুলিবলৈ নোকোৱালৈকে নুখুলিবা।

এই পৰীক্ষা-বহীখনৰ পিছৰ পৃষ্ঠাটোত (পৃষ্ঠা 19 আৰু 20) থকা নিৰ্দেশনা মনোযোগেৰে পঢ়া।

***পৰীক্ষাৰ্থীৰ বাবে নিৰ্দেশনা :***

1. এই বহীখন মুখ্য পৰীক্ষা-বহীখনৰ সহায়ক হিচাপে সেই সকল পৰীক্ষাৰ্থীক দিয়া হৈছে যিয়ে অসমীয়া ভাষাৰ খণ্ড—IV (ভাষা—I) (Part—IV, Language—I) বা খণ্ড—V (ভাষা—II) (Part—V, Language—II)-ৰ উত্তৰ কৰিব বিচাৰে। কিন্তু দুয়োটা খণ্ডৰ উত্তৰ কৰিব নোৱাৰিব।
2. পৰীক্ষাৰ্থীসকলে মুখ্য পৰীক্ষা-বহীৰ পৰা—I, II, III খণ্ডৰ উত্তৰ কৰিব লাগিব আৰু তেওঁলোকে নিৰ্বাচন কৰা ভাষাৰ খণ্ড—IV আৰু খণ্ড—V কৰিব লাগিব।
3. ইংৰাজী আৰু হিন্দী ভাষাৰ IV আৰু V খণ্ডৰ প্ৰশ্নসমূহ মুখ্য পৰীক্ষা-বহীৰ সৈতে দিয়া হৈছে। ভাষা সহায়কসমূহ আঁচুতীয়াকৈ লৈ উত্তৰ দিব পাৰিব।
4. এই পৃষ্ঠাত নিৰ্দিষ্ট বিষয়সমূহ কেৱল লিখিবলৈ আৰু উত্তৰসমূহ চিহ্নিত কৰিবলৈ **নীলা/ক'লা বল্ পয়েণ্ট পেন** ব্যৱহাৰ কৰিবা।
5. এইখন ভাষা-বহী (Language Booklet)ৰ কোড হ'ল **K**. এইটো নিশ্চিত কৰা যে উত্তৰ-বহীৰ **দ্বিতীয় পিঠি**, মুখ্য পৰীক্ষা-বহী আৰু ভাষা সহায়কত একে ধৰণে এই কোডটো লিখা আছে। পৰীক্ষাৰ্থীয়ে ইয়াৰ কিবা খেলিমেলি দেখিলে নিৰীক্ষকক (Invigilator) জনাব আৰু ভাষা সহায়ক পৰীক্ষা-বহী সলাই ল'ব।
6. এই পৰীক্ষা-বহীৰ দুটা খণ্ড—IV আৰু খণ্ড—V **60** টা চমু ধৰণৰ প্ৰশ্ন (Objective-type Questions) আছে। প্ৰত্যেক প্ৰশ্নতে 1 নম্বৰকৈ দিয়া হৈছে :

   খণ্ড—IV : ভাষা—I (অসমীয়া) (প্ৰশ্ন 91ৰ পৰা 120 লৈ)

   খণ্ড—V : ভাষা—II (অসমীয়া) (প্ৰশ্ন 121ৰ পৰা 150 লৈ)
7. খণ্ড—IV ত ভাষা—I ৰ বাবে 30 টা প্ৰশ্ন দিয়া হৈছে আৰু খণ্ড—V ত ভাষা—II ৰ বাবে 30 টা প্ৰশ্ন দিয়া হৈছে। এই পৰীক্ষা-বহীত প্ৰশ্নসমূহ কেৱল অসমীয়া ভাষাৰ বাবেহে দিয়া হৈছে। **ভাষাৰ ক্ষেত্ৰত যদি ভাষা—I অথবা ভাষা—II অসমীয়াৰ বাহিৰে অন্য ভাষাত প্ৰশ্ন দিয়া হৈছে তেনেহ'লে সেই ভাষাটোৰ প্ৰশ্ন থকা পৰীক্ষা-বহী খুজি ল'বা। তোমাৰ আবেদন পত্ৰত (Application Form) উল্লেখ কৰা ভাষাটোতহে পৰীক্ষাৰ উত্তৰ লিখিব পাৰিবা।**
8. **পৰীক্ষাৰ্থীয়ে ভাগ—V (ভাষা—II)-ৰ বাবে ভাষাসূচীৰ পৰা এনে ভাষা নিৰ্বাচন কৰিব যিটো ভাষা—I (ভাগ—IV)ত নিৰ্বাচন কৰা ভাষাৰ পৰা বেলেগ হ'ব।**
9. প্ৰশ্নোত্তৰৰ বাবে বাহিৰা কাৰ্য কেৱল পৰীক্ষা-বহীত থকা নিৰ্ধাৰিত ঠাইতহে কৰিব পাৰিব।
10. প্ৰশ্নৰ উত্তৰবোৰ কেৱল (OMR) উত্তৰ কাকতহে লিপিবদ্ধ কৰিব লাগিব। তোমাৰ উত্তৰবোৰ সযত্নে কৰা। উত্তৰ সলাবলৈ বগা অথবা অন্য ৰং ব্যৱহাৰ কৰিব নোৱাৰিবা।

প্ৰাৰ্থীৰ নাম (স্পষ্টভাৱে) : ______________________

ৰোল নম্বৰ (সংখ্যাৰে) : ______________________

(আখৰেৰে) : ______________________

পৰীক্ষাকেন্দ্ৰ (স্পষ্টভাৱে) : ______________________

প্ৰাৰ্থীৰ চহী : ______________________ নিৰীক্ষকৰ চহী : ______________________

Facsimile signature stamp of Centre Superintendent ______________________

পৰীক্ষাৰ্থীয়ে নিম্নলিখিত ভাগৰ প্ৰশ্নবোৰৰ উত্তৰ তেতিয়াহে কৰিব যদি তেওঁলোকে ভাষা—**I** ৰ বিকল্প অসমীয়া লৈছে।

## খণ্ড—IV : ভাষা—I

### অসমীয়া

*নির্দেশ* : নিম্নোক্ত কবিতাটো ভালদৰে পঢ়া। কবিতাটোৰ তলত ছয়টা প্ৰশ্ন (প্ৰশ্ন নং **91**-ৰ পৰা **96** লৈ) আৰু প্ৰতিটো প্ৰশ্নৰ তলত চাৰিটাকৈ বিকল্প উত্তৰ দিয়া আছে। তাৰ পৰা আটাইতকৈ উপযুক্ত উত্তৰটো চিহ্নিত কৰি প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়া :

**জনমভূমি**

মেলিলোঁ প্ৰথম চকু
তোমাৰ কোলাতে আই
জনমৰ আদিম পুৱাত;

মুদিম আকৌ চকু
তোমাৰ কোলাতে শুই
জীৱনৰ শেষ সন্ধিয়াত।

মৰাৰ পিছতে যেন
পাওঁহি আকৌ ঠাই
চেনেহৰ শীতলী কোলাত;

ভাগৰুৱা আতমাই
শেষৰ জিৰণি লৈ
জিৰাবহি তোমাৰ ছাঁয়াত।

পখী হৈ আকাশৰ
বুকুত ফুৰিম উৰি
বাঁহ লম ওখ বিৰিখত;

পুৱতিৰ লগে লগে
জগাম তোমাক নিতে
বনৰীয়া সুৱদী গীতত।

আকাশৰ তৰা হৈ
ৰ লাগি চাম বৈ
সেউজীয়া শুৱনি জেউতি;

জোনাকত মিল হৈ,
বিমান পথত বৈ,
ওৰে ৰাতি কৰিম আৰতি।

হিমালয় পৰ্বতৰ
শুকুলা টিঙত গৈ
ফুলি ৰম মানসী বিলত;

মলয়ৰ চোঁৱৰত
পাৰিজাত-ৰেণু সানি
ঢুলাম তোমাৰ চৰণত।

নদী হৈ পখালিম
দুখনি চৰণ নিতে
মাটি হৈ মিলিম বুকুত

সোণোৱালী মেঘ হৈ
ৰঙা হাঁহি বিৰিঙাম
শেতা পৰা দুখনি ওঁঠত।

তোমাৰ ই ধূলি-বালি
তোমাৰ আকাশ-বায়ু,
আই মোৰ সৰগৰ বাস,

তুমি মোৰ মৰতৰ
পুণ্য মুকুতিৰ ভূমি,
তুমি মোৰ তীৰ্থৰ প্ৰভাস।

অ' মোৰ চেনেহী দেশ,
তোমাৰ দুখীয়া পঁজা,
ৰচা তাত শান্তিৰ স্বৰগ;

ক'ত পাম এনে প্ৰীতি,
সৰল প্ৰাণৰ ভাষা
সেৱাৰ মহিমাময় ত্যাগ?

দুখীয়াৰ ভগা পঁজা,
একোখন তীৰ্থ তাত,
একোখনি পুণ্যৰ আশ্ৰম;

মৰিলে পুনৰ আহি
দুখীয়া দেশত মোৰ
লওঁ যেন পুনৰ জনম।

**91.** কবিতাটোত কবিয়ে 'আই' বুলি কাক সম্বোধন কৰিছে?

(1) নিজৰ জন্মভূমিক

(2) নদী আৰু আকাশক

(3) নিজৰ জন্মদাত্ৰী মাতৃক

(4) প্ৰকৃতিক

92. কবিয়ে ক'ত পাৰিজাত-ৰেণু সানিবলৈ ইচ্ছা কৰিছে?

(1) ভোমোৰাৰ পাখিত

(2) মলয়ৰ চোঁৰৰত

(3) ফুলৰ পাহিত

(4) মাতৃৰ চৰণত

93. মাতৃভূমিৰ 'সেউজীয়া শুৱনি জেউতি' কবিয়ে —— ৰ লাগি চাব বিচাৰে।

(1) আকাশৰ তৰা হৈ

(2) আকাশৰ বুকুত উৰি ফুৰা পখী হৈ

(3) মৃত্যুৰ পাছতো

(4) দূৰৰ পৰাই

94. হিমালয়ৰ শুকুলা টিঙত কি আছে?

(1) মৃত্যুৰ শীতলী কোলা

(2) মলয়ৰ চোঁৰৰ

(3) মানসী বিল

(4) বিমান পথ

95. মৃত্যুৰ পাছত কবিয়ে কি কৰিব বিচাৰে?

(1) শেষৰ জিৰণি ল'ব বিচাৰে

(2) নদী হৈ বৈ যাব বিচাৰে

(3) নিজৰ জন্মভূমিখনতে পুনৰ জন্ম ল'ব বিচাৰে

(4) পখী হৈ জন্ম ল'ব বিচাৰে

96. কবিয়ে পখী হৈ ক'ত বাঁহ সজাৰ কল্পনা কৰিছে?

(1) ওখ বিৰিখত

(2) আকাশৰ বুকুত

(3) ঘৰৰ মূধচত

(4) সেউজীয়াৰ মাজত

*নিৰ্দেশ* : প্ৰতিটো প্ৰশ্নৰ তলত দিয়া বিকল্প উত্তৰবোৰৰ মাজৰ পৰা আটাইতকৈ উপযুক্ত উত্তৰটো নিৰ্বাচন কৰি তলত দিয়া প্ৰশ্নসমূহৰ (প্ৰশ্ন নং **97**-ৰ পৰা **111** লৈ) উত্তৰ কৰা :

97. এটা অনুশীলনত ছাত্ৰ-ছাত্ৰীক এটা ৰচনা-খণ্ড দিয়া হৈছে য'ত মাজে মাজে শব্দবোৰ খালী ঠাই ৰূপে এৰি যোৱা হৈছে। ছাত্ৰ-ছাত্ৰীয়ে ৰচনা-খণ্ডটো পঢ়ি খালী ঠাইবোৰ পূৰ কৰিব লাগে। এই অনুশীলনটোত ছাত্ৰ-ছাত্ৰীৰ কি দক্ষতা প্ৰকাশিত হ'ব?

(1) নতুন শব্দৰ ব্যৱহাৰ

(2) সাৰাংশ

(3) বানান

(4) বোধশক্তি

98. তলৰ কোনটো কম্প্ৰিহেনশন পঠনৰ প্ৰশ্ন হ'ব?

(1) জ্ঞানপীঠ বঁটা পোৱা অসমীয়া লেখিকাগৰাকী কোন?

(2) তুমি মামণি ৰয়চম গোস্বামীৰ উপন্যাস পঢ়িছানে?

(3) 'অহা-যোৱা' শব্দটো ব্যৱহাৰ কৰি এটা বাক্য গঠন কৰা

(4) 'উৎসৱ' শব্দটোৰ উচ্চাৰণ নিৰ্ণয় কৰা

99. শিশু এটাই অৰ্থপূৰ্ণভাৱে লিখিব পাৰিবৰ বাবে প্ৰথমতে শিশুটোক ক্ৰেয়ন পেন্সিলেৰে আঁক-বাঁক কৰা, বৃত্ত আদি প্ৰাথমিক আকাৰবোৰ আঁকিবলৈ দিয়া আদি কাৰ্য কৰিবলৈ দিব লাগে, যাতে শিশুটোৱে লিখিবৰ বাবে অনিবাৰ্যভাৱে প্ৰয়োজনীয় ——ৰ দক্ষতা গঢ়ি তুলিব পাৰে।

(1) আবেগিক

(2) বাচি থকা

(3) বোধশক্তি

(4) চালিকা শক্তি

**100.** বন্ধুত্বপূর্ণ চিঠি এখন লিখিবলৈ শিকোঁতে শিকাৰুৱে এই দিশবোৰত গুৰুত্ব দিব লাগে :

(1) আনৰ বাবেও স্পষ্ট হ'ব লাগে, Abbreviations-ৰ ব্যৱহাৰ, স্পষ্ট ঠাঁচ বা আকাৰ

(2) ব্যক্তিগত, কোনো ধৰণৰ ঠাঁচ বা আকাৰ নাই

(3) একধৰণৰ ঠাঁচ বা আকাৰ (format), ব্যক্তিগত স্পৰ্শ, চমুকৈ লিখাৰ ধৰণ তথা Abbreviations-ৰ ব্যৱহাৰ

(4) ব্যক্তিগত হ'ব নালাগে, শুদ্ধ ঠাঁচ বা আকাৰৰ অনুসৰণ

**101.** শিকাৰুৱে ভাষা এটা শিকোঁতে ভাষাটোৰ সুকীয়া উচ্চাৰণৰ ধৰণবোৰৰ বাবে ক'বলৈ আত্মবিশ্বাসৰ অভাব অনুভৱ কৰে। এই সমস্যাটোৰ সমাধান হ'ল

(1) শ্ৰেণীকোঠাত মৌখিক যোগাযোগ হোৱাকৈ বা কথাবাৰ্তাৰ পৰিবেশ সৃষ্টি হোৱাকৈ খেল-ধেমালিৰ জৰিয়তে শিকোৱা

(2) বিশেষজ্ঞৰ ওচৰত বাক-চিকিৎসাৰ ব্যৱস্থা কৰোৱা

(3) ভুল হোৱাৰ লগে লগেই শুধৰোৱা

(4) শ্ৰেণীকোঠাত ডাঙৰ ডাঙৰকৈ পঢ়িবলৈ দিয়া

**102.** শিক্ষকে শ্ৰেণীকোঠাত এটা গীতৰ উদাহৰণ ব্যৱহাৰ কৰিছে। শিকাৰুৱে গীতটোৰ কথা (lyrics) পঢ়ি কোনবোৰ শব্দই খালীকৈ থকা ঠাইবোৰ পূৰ কৰিব পাৰে, অনুমান কৰিব লাগে। তাৰ পাছত তেঁওলোকৰ অনুমান শুদ্ধ আছিলনে, জানিবলৈ গীতটো শুনিব। এই কাৰ্যটো হৈছে

(1) ইনফ'মেশ্বন কাৰেক্শ্বন

(2) ইনফ'মেশ্বন গেপ

(3) ইনফ'মেশ্বন ট্ৰেন্সফাৰ

(4) ইনফ'মেশ্বন এক্সচেঞ্জ

**103.** সাধাৰণতে শিশু এটা ভাষা আয়ত্ত কৰিবলৈ বেছি সক্ষম হোৱা সময়চোৱা হ'ল

(1) আঠ বছৰ বয়স হোৱাৰ আগতে

(2) আঠ বছৰ বয়স হোৱাৰ পাছত

(3) দহ বছৰ বয়স হোৱাৰ আগতে

(4) তেৰ বছৰ বয়স হোৱাৰ পাছত

**104.** মাধ্যমটো চিহ্নিত কৰা : ছাত্ৰ-ছাত্ৰীৰ বাবে খৰছ বৃদ্ধি নোহোৱাকৈয়ে অধিক বিষয়বস্তুৰ অধিক বিস্তৰ আৰু গভীৰ তথ্যৰ যোগান ধৰে

(1) ইলেক্ট্ৰ'নিক মাধ্যম

(2) পোনপটীয়াকৈ উদাহৰণসহ প্ৰদৰ্শন কৰি দেখুওৱা

(3) অ'ভাৰহেড প্ৰ'জেক্টৰ শ্লাইড্ছ

(4) কাগজ

**105.** বহুভাষিক শ্ৰেণীকোঠা এটাত শিক্ষাৰ্থীয়ে

(1) বেছি ভাল ফলাফল পাব পাৰে, যদিহে একে ভাষা কোৱা শিক্ষাৰ্থীবোৰ একেটা গোটত থাকে

(2) লক্ষ্য-ভাষাটোৰ ব্যৱহাৰৰ পৃষ্ঠপোষকতা কৰা বাবে অন্য কোনো ভাষা ব্যৱহাৰ কৰিবলৈ অনুৎসাহিত অনুভৱ কৰে

(3) কথা-বাৰ্তা তথা যোগাযোগৰ অভাৱৰ বাবে শ্ৰেণীটো আকৰ্ষণীয় অনুভৱ নকৰে

(4) উচ্চাৰণৰ ভিন্নতা, ব্যাকৰণৰ গঠন আদিৰ বিষয়ে জনাৰ অধিক সুযোগ পায়, যাৰ বাবে লক্ষ্য-ভাষা শিকি বুজি ব্যৱহাৰ কৰিবলৈ সুচল হয়

**106.** দ্বিতীয় ভাষা এটা বা বিদেশী ভাষা এটাত দখল আয়ত্ত কৰা ভাষা-শিক্ষাৰ্থীক ভাষা বিনিময়ে (language transfer) প্ৰভাৱ পেলায়। এই পৰিস্থিতিটো দূৰ কৰিবলৈ শিক্ষকে কি কৰিব পাৰে ?

(1) আত্মবিশ্বাস গঢ়ি তুলিবৰ বাবে আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত আলোচনা আদি হ'বৰ বাবে সমূহীয়া কৰ্ম দিব পাৰে

(2) সময়ে সময়ে ছাত্ৰ-ছাত্ৰীয়ে অন্য এটা ভাষা শিকিবলৈ অসুবিধা পাইছে নেকি জানিব পৰা পৰীক্ষা ল'ব পাৰে

(3) ক্ৰমবৰ্ধমান জটিল পাঠ দিব পাৰে

(4) L-2 শিকিবৰ বাবে দৃঢ় বোধশক্তিৰ ভেটি এটা গঢ়িবলৈ প্ৰয়োজন। সেয়েহে তাৰ বাবে প্ৰয়োজনীয় L-1-ৰ সাধাৰণ ভাষা দক্ষতা শক্তিশালী কৰি তুলিবলৈ শিকন কৰ্ম দিব পাৰে

**107.** এটা শ্ৰেণীকোঠাত বিভিন্ন মিশ্ৰিত পাৰদৰ্শিতাৰ ছাত্ৰ-ছাত্ৰী আছে। এনে শ্ৰেণীকোঠা এটাত শিক্ষকে

(1) ঘৰত কৰিবলৈ দিয়া কাম সম্পূৰ্ণ কৰিবলৈ সহায় হ'বৰ বাবে আন শিক্ষক আৰু পিতৃ-মাতৃক লগ ধৰিব লাগে

(2) কিছুমান সৰু সৰু ক্লাছ প্ৰ'জেক্ট কৰিব লাগে য'ত সকলো ছাত্ৰ-ছাত্ৰী একেলগ হৈ সামাজিক দক্ষতা বৃদ্ধি কৰিব পাৰে, আলোচনা কৰিব পাৰে আৰু সমূহীয়া গোটত কাম কৰি পাৰদৰ্শিতা বৃদ্ধি কৰিব পাৰে

(3) বিদ্যালয়ৰ ছুটিৰ পাছত কম পাৰদৰ্শী ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ শ্ৰেণীৰ ব্যৱস্থা কৰিব লাগে, যাতে সিহঁতে অধিক নম্বৰ পাবলৈ সক্ষম হ'ব আৰু আন ছাত্ৰ-ছাত্ৰীবোৰৰ সমান হ'ব

(4) কম দক্ষ ছাত্ৰ-ছাত্ৰীৰ সমস্যা বুজি পাবলৈ সময়ে সময়ে মনোৰোগ বিশেষজ্ঞ আৰু শ্ৰেণী শিক্ষকৰ সৈতে সভা পাতিব লাগে

**108.** পাঠ্যপুথিৰ প্ৰশ্নবোৰ কেতিয়াবা বাস্তৱভিত্তিক কম মানদণ্ডৰ হ'ব পাৰে। এনে ক্ষেত্ৰত শিক্ষকে

(1) পাঠ্যপুথি কমকৈ ব্যৱহাৰ কৰিব পাৰে

(2) অধিক সাহিত্য পাঠ দিব পাৰে

(3) মৌলিক চিন্তা কৰি সমস্যা সমাধান কৰা কৰ্ম কৰিবলৈ দিব পাৰে

(4) পাঠটো তৈয়াৰ কৰিব পাৰে বা Design কৰিব পাৰে

**109.** বিদেশী ভাষা এটাৰ শিক্ষাৰ্থীয়ে লিখিত পাঠ এটাৰ বানানৰ কাৰণে মৌখিকভাবে অৰ্থোদ্ধাৰ কৰিবলৈ অসুবিধা পায়। সমস্যাটো শিক্ষাৰ্থীয়ে সমাধান কৰিব পাৰে

(1) বানান অনুসৰি উচ্চাৰণৰে সৈতে শব্দবোৰ ডাঙৰকৈ পঢ়ি

(2) শুদ্ধ উচ্চাৰণটো মনোযোগেৰে শুনি আৰু ডাঙৰকৈ পঢ়ি অনুশীলন কৰি

(3) শিক্ষকগৰাকীৰ উচ্চাৰণ অনুকৰণ কৰি

(4) অসুবিধা পোৱা শব্দবোৰ নিজৰ মতে পঢ়ি

**110.** ভাষাৰ শ্ৰেণী এটাত 'অন্য ধৰণে বা বিশেষ ধৰণে সক্ষম' (specially abled) শিক্ষাৰ্থীৰ একাত্মবোধ, সফলতা আৰু আত্মবিশ্বাস বঢ়াই তোলাৰ উপায় হ'ল

(1) তেনে শিক্ষাৰ্থীৰ প্ৰয়োজন চম্ভালিব পৰাকৈ কেৱল যোগ্য কৰ্মীক নিযুক্তি দিয়া

(2) তেনে শিক্ষাৰ্থীবোৰে বিদ্যালয়ৰ বা শ্ৰেণীটোৰ অন্য শিক্ষাৰ্থীৰ সৈতে মিলা-মিচা কৰিব নোৱাৰাকৈ বেলেগ গোটত ৰখা

(3) সুকীয়া ধৰণৰ পাঠ্যপুথিৰ যোগান ধৰা

(4) সমিল-মিল কাৰ্য, সহযোগিতা আৰু আলোচনাৰ সুযোগ দি

**111.** ভাষাৰ পৰম্পৰাগত শ্ৰেণী এটা শিক্ষককেন্দ্ৰিক হয় আৰু ভাষাৰ আধুনিক শ্ৰেণী এটা ছাত্ৰ-ছাত্ৰীকেন্দ্ৰিক হয়। প্ৰথমবিধৰ এটা বৈশিষ্ট্য হ'ল

(1) শিক্ষকে পাঠ সহজসাধ্য কৰে আৰু প্ৰশিক্ষণ নিয়ন্ত্ৰণ কৰে আৰু ছাত্ৰ-ছাত্ৰীয়ে শিকা কাৰ্যত অংশগ্ৰহণ কৰে

(2) শিক্ষকে কথিত আৰু লিখিত ভাষাৰ আৰ্হি দেখুৱায় আৰু ছাত্ৰ-ছাত্ৰীয়ে অনুসৰণ কৰে

(3) শিক্ষকগৰাকী শিকোৱাৰ তত্ত্বাৱধায়ক হয় আৰু ছাত্ৰ-ছাত্ৰীয়ে তেঁওলোকৰ প্ৰদৰ্শন সম্পৰ্কে নিয়মীয়া ফীডবেক পোৱাৰ ব্যৱস্থা কৰে

(4) শ্ৰেণীৰ বাহিৰতো ছাত্ৰ-ছাত্ৰীয়ে শিকিব পাৰে আৰু সময়ে সময়ে লিখিত পৰীক্ষা দিব লাগে

*নির্দেশ* : তলত দিয়া পৰিচ্ছেদটো ভালদৰে পঢ়া। পৰিচ্ছেদটোৰ শেষত নটা প্ৰশ্ন (প্ৰশ্ন নং **112**-ৰ পৰা **120** লৈ) আৰু প্ৰতিটো প্ৰশ্নৰে চাৰিটাকৈ বিকল্প উত্তৰ দিয়া আছে। তাৰ পৰা আটাইতকৈ উপযুক্ত উত্তৰটো বাচি লৈ প্ৰশ্নকেইটাৰ উত্তৰ কৰা :

'ওজাপালি' শব্দটোতে ইয়াৰ অৰ্থ আৰু তাৎপৰ্য নিহিত হৈ আছে। এই শব্দটো 'ওজা' আৰু 'পালি' এই শব্দ দুটা লগ লাগি গঠিত হৈছে। ওজাপালিৰ দল এটাত সাধাৰণতে এজন 'ওজা', এজন 'দাইনাপালি' আৰু তিনিজন বা পাঁচজন 'সহায়ক পালি' থাকে। মুঠতে ওজাপালি দলটোত পাঁচজন বা সাতজন গায়ক থাকে। এই গায়কৰ দলটোত ওজাই দলপতি। দলপতিয়ে অংগীভংগী কৰি গীত-কথাখিনি সুৰ ধৰি গাই যায়, দাইনাপালিয়ে মাজে মাজে প্ৰশ্নৰ অৱতাৰণা কৰি জটিল কথাবোৰ ওজাক বহলাই ক'বলৈ বাধ্য কৰে, আন পালিসকলে গীতৰ ধুৰাটো বাদ্য বজাই তাল ধৰি নাচি নাচি বাৰে বাৰে দোহাৰে।

ওজাপালি অনুষ্ঠানটো অসমৰ প্ৰাচীন দৃশ্য-শ্ৰব্য কলাশৈলী। ওজাপালি অনুষ্ঠানত গীত, নৃত্য আৰু অভিনয় এই তিনিওটা বস্তুৰ একত্ৰ সমাবেশ পৰিলক্ষিত হয়। ওজাপালিৰ বিষয়ে অধ্যয়ন কৰিবলৈ গ'লে ভাৰতৰ বিখ্যাত 'কথকতা পৰম্পৰা'ৰ কথাই প্ৰথমতে মনলৈ আহে, কিয়নো সৰ্বভাৰতীয় কথকতাৰ ওপৰত ভিত্তি কৰি ইয়াৰ বিকাশ ঘটিছে। দ্বিতীয়তে ভাৰতীয় দৃশ্য-শ্ৰব্য কলাশৈলীৰ ওপৰতো ই প্ৰতিষ্ঠিত।

ওজাপালিয়ে বিশেষকৈ ৰামায়ণ, মহাভাৰত আৰু পুৰাণৰ বিষয়বস্তুৰ ওপৰত নিৰ্ভৰ কৰিলেও এই কলাশৈলীটো মৌখিক পৰম্পৰা হিচাপে প্ৰৱাহিত হৈ আহিছে। সেই বাবে স্পষ্টকৈ ক'ব পাৰি যে ই লোকপৰম্পৰাৰ ভিতৰৰ বস্তু। গ্ৰাম্য জীৱনৰ ধৰ্মীয় আৰু সামাজিক প্ৰয়োজন এই অনুষ্ঠানে বহুলাংশে পূৰণ কৰে। ওজাপালিয়ে মহাকাব্য আৰু পুৰাণৰ পৰা যি গীত পৰিবেশন কৰে, সি শ্ৰোতাসকলক জ্ঞান দিয়ে। বাসুদেৱ পূজা, মনসা পূজা বা দুৰ্গাপূজাৰ সময়ত গোৱা ওজাপালিৰ গীতে আমাৰ সামাজিক প্ৰয়োজন সাধন কৰে। সেই বাবে অসমৰ সমাজ-সাংস্কৃতিক জীৱনত (socio-cultural life) ওজাপালিৰ এক বিশেষ স্থান আছে।

ভাৰতীয় পৰম্পৰাগত সংগীতৰ ধাৰা অসমৰ ওজাপালিয়ে বহন কৰি আনিছে। ওজাপালিয়ে স্বকীয় অনুষ্ঠান বুলি দাবি কৰিব নোৱাৰাৰ প্ৰধান কাৰণ হ'ল ই নাট্যশাস্ত্ৰ আৰু অভিনয় দৰ্পণৰ ওপৰতো নিৰ্ভৰশীল। সেয়ে ওজাপালিক ভাৰতীয় সংগীতৰ এটা ধাৰা বুলি ক'লে বেছি যুক্তিসংগত হ'ব।

**112.** ওজাপালি অনুষ্ঠানটোত তিনিটা বস্তুৰ একত্ৰ সমাবেশ হোৱা দেখা যায়। সেইকেইটা হ'ল

(1) গীত, চিত্ৰকলা আৰু অভিনয়

(2) গীত, নৃত্য আৰু চিত্ৰকলা

(3) গীত, নৃত্য আৰু অভিনয়

(4) অভিনয়, আবৃত্তি আৰু নৃত্য

**113.** ওজাপালি দল এটাত থাকে

(1) তিনিজন ওজা, তিনিজন পালি আৰু এজন সহায়ক

(2) এজন ওজা, এজন পালি আৰু তিনিজন বা পাঁচজন সহায়ক

(3) দুজন ওজা, দুজন পালি আৰু তিনিজন বা পাঁচজন সহায়ক

(4) এজন ওজা, এজন পালি আৰু এজন সহায়ক

**114.** ওজাপালি শব্দটো এইদৰে গঠিত হৈছে, যেনে

(1) ওজা + পালি

(2) ও + জা + পালি

(3) ওজাপাল + ই

(4) ওজা + পাল + ই

115. ওজাক জটিল কথাবোৰ বহলাই ক'বলৈ কোনে প্ৰশ্নৰ দ্বাৰা বাধ্য কৰে ?

(1) সহায়ক এজনে

(2) দাইনাপালিয়ে

(3) আন পালিসকলে

(4) দৰ্শকে

116. কোনটো উৎসৱ বা অনুষ্ঠানৰ লগত ওজাপালিৰ সম্পৰ্ক নাই ?

(1) মনসা পূজা

(2) দুৰ্গাপূজা

(3) বাসুদেৱ পূজা

(4) বৰদিন

117. ওজাপালি অনুষ্ঠানটো অসমৰ প্ৰচীন —— কলাশৈলী ।

(1) সাংগীতিক

(2) দৃশ্য-শ্ৰব্য

(3) দৃশ্য

(4) শ্ৰব্য

118. গ্ৰাম্য জীৱনৰ কেনেধৰণৰ প্ৰয়োজন ওজাপালি অনুষ্ঠানে বহুলাংশে পূৰণ কৰে ?

(1) সামাজিক আৰু ৰাজনৈতিক

(2) সামাজিক আৰু সাংস্কৃতিক

(3) ধৰ্মীয় আৰু সামাজিক

(4) ধৰ্মীয় আৰু ৰাজনৈতিক

119. তলৰ কোনটোৰ বিষয়বস্তুৰ ওপৰত ওজাপালিয়ে নিৰ্ভৰ নকৰে ?

(1) পুৰাণ

(2) ডাকৰ বচন

(3) মহাভাৰত

(4) ৰামায়ণ

120. ওজাপালিয়ে স্বকীয় অনুষ্ঠান বুলি দাবী কৰিব নোৱাৰাৰ প্ৰধান কাৰণ হ'ল

(1) ই দৰ্শকৰ ওপৰত নিৰ্ভৰশীল

(2) ই মহাকাব্যৰ ওপৰত নিৰ্ভৰশীল

(3) ই পৰনিৰ্ভৰশীল

(4) ই নাট্যশাস্ত্ৰ আৰু অভিনয় দৰ্পণৰ ওপৰতো নিৰ্ভৰশীল

পৰীক্ষাৰ্থীয়ে নিম্নলিখিত ভাগৰ প্ৰশ্নবোৰৰ উত্তৰ তেতিয়াহে কৰিব যদি তেওঁলোকে ভাষা—**II**ৰ বিকল্প অসমীয়া লৈছে। →

## খণ্ড—V : ভাষা—II

### অসমীয়া

*নির্দেশ* : তলৰ পৰিচ্ছেদটো ভালদৰে পঢ়া। পৰিচ্ছেদটোৰ শেষত ছটা প্ৰশ্ন (প্ৰশ্ন নং **121**-ৰ পৰা **126** লৈ) আৰু প্ৰতিটো প্ৰশ্নৰে তলত চাৰিটাকৈ বিকল্প উত্তৰ দিয়া আছে। তাৰ পৰা আটাইতকৈ উপযুক্ত উত্তৰটো নিৰ্বাচন কৰি প্ৰশ্নকেইটাৰ উত্তৰ কৰা :

তাহানিখনতে মই প্ৰথম দেখা কলিকতাখনৰ উত্তৰাঞ্চলত (North Calcutta) আছিল অতীতৰ ধনী, সম্ভ্ৰান্ত, প্ৰতাপী জমিদাৰ আৰু ব্যৱসায়ীৰ 'দালান-বাড়ী'। বেছি ভাগ ৰঙা ইটাৰে সজা প্ৰকাণ্ড বাকচৰ দৰে। স্থাপত্যৰ পিনৰ পৰা বিশেষত্বহীন, কিন্তু গে'টৰ ভিতৰত আগচোতালৰ পৰা আৰম্ভ কৰি বহুত ইউৰোপীয় আৰ্হিৰ মাৰ্বলৰ পৰী, দেৱশিশু আদিৰ মূৰ্তি। এইবোৰত সুৰুচিতকৈ ঐশ্বৰ্য প্ৰকাশৰ আগ্ৰহ বেছি প্ৰকট। ৰামমোহন, বিদ্যাসাগৰো এনেবোৰ পাড়াতে আছিল। অৱশ্যে জোড়াসাঁকোৰ ঠাকুৰবাড়ীত সৌন্দৰ্যবোধ আৰু সুৰুচিৰ সাঁচ স্পষ্ট। তাত এক বিশাল বাৰাণ্ডা আছে, তাৰ এপিনে অলপ উচ্চতৰ সমতলত স্তম্ভৰ লানি। বাৰাণ্ডাৰ একোণত বহি ঘৰুৱা আড্ডাও দিব পাৰি বা ওখ অংশৰ স্তম্ভত আঁৰকাপোৰ তৰি মুহূৰ্ততে বাৰাণ্ডাখনক এক প্ৰশস্ত প্ৰেক্ষাগৃহত পৰিণত কৰিব পাৰি। ৰবীন্দ্ৰনাথৰ কিছুমান নাটক তাতে মঞ্চস্থ হৈছিল। চৌৰংগীৰ (বৰ্তমান জৱাহৰলাল নেহৰু ৰোড) দক্ষিণ দিশে, দক্ষিণ কলিকতা, বালিগঞ্জ, লেইক গাৰ্ডেন আদিত পছিমীয়া আৰ্হিৰ বাসস্থান। আৰু উত্তৰ আৰু মধ্য কলিকতাৰ সৰ্পিল গ'লিবোৰত অগণন মধ্যবিত্ত, নিম্ন-মধ্যবিত্তৰ 'ভাড়াবাড়ী'। প্ৰাচীন ৰাজবাড়ীবোৰ এতিয়া জৰাজীৰ্ণ অসংখ্য ভাড়াটিয়াৰ আশ্ৰয়। মোৰ বাইদেউগৰাকীৰ পতিগৃহ আছিল তেনে এটি গ'লিত। নাম হুজুৰিমল লেন। তাৰ বেছি ভাগ ঘৰতে কলিকতাৰ পৌৰ প্ৰশাসনে যোগান ধৰা কলৰ পানীৰ উপৰি প্ৰাচীন, শেলুৰৈ ধৰা পকী ভেটিৰে সৈতে টিউবৱেল।

কেতিয়াবা জনাকীৰ্ণ বাট-ঘাট অসহনীয় হ'লে কোনো কোনো বৃহৎ পাৰ্কৰ জনবিৰল ছায়াঘেৰা কোণত চুপচাপ্ বেঞ্চত বহি থাকিব পাৰি। শীতল বতাহে জিৰ্জিৰকৈ গা জুৰায়, ভাহি আহে নজনা কিবা ফুলৰ ক্ষীণ সুগন্ধ, সন্ধিয়াই অজ্ঞাতে আৰু ডাঠকৈ গাত মেৰিয়ায় এন্ধাৰৰ শাড়ী। দেশপ্ৰিয় পাৰ্ক অথবা ময়দান বা হয়তো ডায়ামণ্ড হাৰ্বাৰৰ গংগাৰ পাৰ। পাৰ্কবিলাকত বাদামৱালা, বিড়িৱালা আদিৰ উৎপাত নাছিল। বহু বয়স্ক মানুহে তাত থকা লোহাৰ বেঞ্চত নীৰৱে বহি ভাবত বিভোৰ হৈ থকা দেখিছিলোঁ। কাচিৎ চঞ্চল শিশুৰ কিৰিলি কাণত পৰিছিল। এতিয়া ময়দানত আগৰ অপৰিকল্পিত প্ৰাকৃতিক পৰিৱেশৰ ঠাইত কেউপিনে পৰিকল্পিত সাজ-সজ্জা, কৃত্ৰিম পোহৰত উদ্ভাসিত চৌদিশ, আইচক্ৰীমৰ গাড়ী আৰু অসংখ্য আনন্দমুখৰ প্ৰমোদপিয়াসী মানুহ। ইয়াত অন্ততঃ নিৰলে বহি বয়স্ক লোকে নিবিড় নিৰ্জনতা উপভোগ কৰিব নোৱাৰে।

এনে আৰাম, অৱসৰ, প্ৰশান্তিৰ বিপৰীতে বঙালী ৰংগমঞ্চ আছিল সমূহীয়া আনন্দৰ থলী। মিনাৰ্ভা, ষ্টাৰ ইত্যাদি পেছাদাৰী ৰংগমঞ্চত প্ৰতি সন্ধিয়া দৰ্শকৰ ভিৰ হৈছিল, সাধাৰণ মধ্যবিত্ত দৰ্শকৰ, যি আলোকোজ্জ্বল মঞ্চৰ সমুখত এন্ধাৰত বহি প্ৰাত্যহিক জীৱনৰ শিকলিৰ পৰা দুই-তিনি ঘণ্টাৰ বাবে মন মুকলি কৰিবলৈ আহিছিল। ঊনবিংশ শতাব্দীত গিৰিশ ঘোষৰ দিনৰে পৰা কলিকতাত ৰংগমঞ্চ, অভিনয়, সাধাৰণ দৰ্শকৰ মঞ্চপ্ৰীতিৰ ঐতিহ্য চলি আছিল। পাহাড়ী সান্যাল, জহৰ গাংগুলী, তুলসী চক্ৰৱৰ্তী প্ৰভৃতি কৃতী অভিনেতাৰ অভিনয় দেখা পাইছিলোঁ মঞ্চত। এবাৰ শৰৎচন্দ্ৰৰ 'শ্ৰীকান্ত'ৰ নাট্যৰূপ দেখা পাইছিলোঁ। বোধহয় শেষ খণ্ড—য'ত বৈষ্ণৱী কমললতাৰ ৰহস্যময় ইন্দ্ৰিয়াতীত প্ৰেমত যুক্তিবাদী শৰৎচন্দ্ৰৰ নায়কো আকণ্ঠ মজি গৈছিল। কমললতাৰ অভিনয় কৰা অভিনেত্ৰীগৰাকীৰ চেহেৰা যেনে সুঠাম, অভিনয় তেনে জড়তাহীন আছিল। স্বনামধন্য শিশিৰ ভাদুড়িৰ অভিনয় দেখাৰ সৌভাগ্য নহ'ল। সেই সময়ত শম্ভু মিত্ৰৰ 'বহুৰূপী' আৰু উৎপল দত্তৰ 'লিট্‌ল থিয়েটাৰ' দলে বোধহয় এমেছাৰ গ্ৰুপ হিচাপে নাটক কৰি আছিল আৰু দুয়োজন আছিল শিল্প আৰু ৰাজনীতিত Radical, যাৰ দুৰ্বল অসমীয়া অনুবাদ হৈছে 'বামপন্থী'। কিন্তু মোৰ সেই

সময়ত নাটকৰ নিচাও নাছিল, ৰাজনীতিৰ নিচাও নাছিল। সেইবোৰ চাবলৈ উধাতুখাই ফুৰা নাছিলোঁ। সৰুতে থিয়েটাৰৰ বায়ুৱে মোক পোৱা নাছিল বাবে সেই বিষয়ে জ্ঞানো আছিল নগণ্য। সেয়ে অজ্ঞতাৰ বৰ্ম পিন্ধি অনায়াসে তাৰ আকৰ্ষণৰ বাণ প্ৰতিহত কৰিব পাৰিছিলোঁ। অলপ নতুন আংগিকৰ নাটক এখন চাইছিলোঁ, তৰুণ ৰায় নামৰ এজন পৰিচালক তথা নাট্যশিল্পীৰ দলে মঞ্চস্থ কৰা। তাতে পোহৰৰ পৰিমাণ আৰু ঘনত্বৰ মাত্ৰা বঢ়াই-কমাই নাটক তথা অভিনয়ৰ বিভিন্ন দিশত দৰ্শকৰ মনোযোগ কেন্দ্ৰীভূত কৰাৰ প্ৰয়াস দেখিছিলোঁ। সামাজিক ব্যংগও আছিল শাণিত। কিন্তু শেষ পৰ্যন্ত সাধুতা-অসাধুতাৰ সৰল দ্বন্দ্বৰ পৰা নাটক আঁতৰি নগ'ল। ফলত মন যেন আকৃষ্ট হ'লেও তৃপ্ত নহ'ল।

**121.** পুৰণি কলিকতাৰ ধনী, সম্ভ্ৰান্ত, প্ৰতাপী জমিদাৰ আৰু ব্যৱসায়ীৰ 'দালান-বাড়ী' লেখকে দেখা পাইছিল

(1) কলিকতাৰ উত্তৰাঞ্চলত

(2) কলিকতাৰ দক্ষিণ অঞ্চলত

(3) চৌৰংগীৰ দক্ষিণ দিশত

(4) জোড়াসাঁকোৰ ঠাকুৰবাড়ীত

**122.** লেখকৰ বায়েকক কলিকতাৰ কোন ঠাইলৈ বিয়া দিয়া হৈছিল?

(1) বালিগঞ্জ

(2) জোড়াসাঁকো

(3) জৱাহৰলাল নেহৰু ৰোড

(4) হুজুৰিমল লেন

**123.** 'দালান-বাড়ী' আৰু 'ঠাকুৰবাড়ী'ৰ ভিতৰত কোনটোত সুৰুচিতকৈ ঐশ্বৰ্য প্ৰকাশৰ আগ্ৰহ বেছি দেখা যায়?

(1) দালান-বাড়ীত

(2) ঠাকুৰবাড়ীত

(3) উভয়তে দেখা যায়

(4) এটাতো দেখা নাযায়

**124.** কলিকতাৰ পেছাদাৰী ৰংগমঞ্চ হৈছে

(1) গিৰীশ ঘোষৰ ৰংগমঞ্চ

(2) ঠাকুৰবাড়ীৰ বাৰাণ্ডাৰ প্ৰশস্ত প্ৰেক্ষাগৃহৰূপ

(3) সাধাৰণ মধ্যবিত্ত দৰ্শকৰ ৰংগমঞ্চ

(4) মিনাৰ্ভা, ষ্টাৰ ইত্যাদি

**125.** কলিকতাৰ মঞ্চত কোনজন অভিনেতাৰ অভিনয় লেখকে দেখা নাছিল?

(1) জহৰ গাংগুলী

(2) তুলসী চক্ৰৱৰ্তী

(3) শিশিৰ ভাদুড়ি

(4) পাহাড়ী সান্যাল

**126.** শৰৎচন্দ্ৰৰ কোন সাহিত্যকৰ্মৰ নাট্যৰূপ দেখা পোৱাৰ কথা লেখকে উল্লেখ কৰিছে?

(1) শ্ৰীকান্ত

(2) চৰিত্ৰহীন

(3) দেৱদাস

(4) গৃহদাহ

*নিৰ্দেশ* : প্ৰতিটো প্ৰশ্নৰে তলত দিয়া বিকল্প উত্তৰবোৰৰ মাজৰ পৰা আটাইতকৈ উপযুক্ত বিকল্পটো বাচি তলত দিয়া প্ৰশ্নবোৰৰ (প্ৰশ্ন নং **127**-ৰ পৰা **141** লৈ) উত্তৰ কৰা :

**127.** তলত দিয়া প্ৰশ্নোত্তৰৰ পৰীক্ষাটোৰ মূল্যায়ন তুমি কেনেকৈ কৰিবা ?

প্ৰশ্ন : বাঘ এবিধ বিলুপ্ত জন্তু হয়নে ?

উত্তৰ : (ক) নহয়, কিন্তু আজিকালি বাঘ দেখিবলৈ পোৱাই নাযায়।

(খ) বাঘ বিলুপ্তিৰ পথল�ৈ গৈ থকা জন্তু।

(1) উত্তৰ (খ)-ৰ বাবে ½ নম্বৰ আৰু (ক)-ৰ বাবে 1 নম্বৰ

(2) উত্তৰ (ক)-ৰ বাবে 1 নম্বৰ আৰু (খ)-ৰ বাবে 1 নম্বৰ

(3) উত্তৰ (ক)-ৰ বাবে 0 নম্বৰ আৰু (খ)-ৰ বাবে 2 নম্বৰ

(4) উত্তৰ (ক)-ৰ বাবে ½ নম্বৰ আৰু (খ)-ৰ বাবে 1 নম্বৰ

**128.** কোনো এটা পাঠ প্ৰাসংগিক হয়নে নহয়, সিদ্ধান্ত ল'বৰ বাবে ছাত্ৰ-ছাত্ৰীৰ বাবে পাঠটো সাধাৰণ বোধগম্য হ'বলৈ ব্যৱহাৰ কৰা পঠন কৌশল (Reading strategy)-টো হ'ল

(1) প্ৰেডিক্টিং

(2) চামাৰাইজিং

(3) স্কেনিং

(4) স্কিমিং

**129.** ছাত্ৰ-ছাত্ৰীয়ে 'Great Sentence Mystery' শীৰ্ষক এখন চমু স্ক্ৰিপ্ট বা হাস্যকৰ নাটক লিখিছে। স্ক্ৰিপ্টখনৰ চাৰিটা চৰিত্ৰ দহটামান শাৰীত বৰ্ণনা কৰা হৈছে। প্ৰতিটো চৰিত্ৰই মাত্ৰ একধৰণৰ বাক্যহে ব্যৱহাৰ কৰে। এই কৰ্মই কেনেধৰণ অনুশীলন উৎসাহিত কৰে ?

(1) পশ্চ-পঠন (post-reading) কাৰ্যকলাপ

(2) পূৰ্ব-লিখন (pre-writing) কাৰ্যকলাপ

(3) ব্যাকৰণৰ প্ৰয়োগ

(4) শব্দ-সম্ভাৰৰ ব্যৱহাৰ

**130.** তৃতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত সৃজনীমূলক লেখনী লিখিবলৈ উৎসাহিত কৰিবৰ বাবে উপযুক্ত উপায়টো হ'ল

(1) ছবি কিছুমান ব্যৱহাৰ কৰা আৰু আলোচনা কৰা

(2) ছাত্ৰ-ছাত্ৰীক যি ইচ্ছা কৰে তাকে লিখিবলৈ দিয়া

(3) এটা বিষয় নিৰ্ধাৰণ কৰি দি তাৰ বিষয়ে বিশদ আলোচনা কৰা

(4) ব'ৰ্ডত বিষয়বস্তুৰ আউটলাইন এটা লিখা

**131.** তোমাৰ শ্ৰেণীৰ শিক্ষাৰ্থীবোৰৰ বহুতেই অনুষ্ঠানত ইংৰাজীত কথা ক'বলৈ সংকোচ কৰে। তেঁওলোকৰ এই সংকোচ দূৰ কৰিবলৈ তুমি কি পদক্ষেপ ল'বা ?

(1) শ্ৰেণীত আকস্মিক বক্তৃতাৰ আয়োজন কৰি অতি সহজ বিষয় কিছুমান দিবা

(2) আন সকলোৰে প্ৰেজেন্টেশ্বন শেষ কৰাৰ পাছতহে তেঁওলোকক ক'বলৈ দিবা

(3) লক্ষ্য-ভাষাটোত ব্যক্তিগত প্ৰশিক্ষণ দিবা

(4) শিক্ষাৰ্থীবোৰক সৰু গোটত ভাগ কৰি তেঁওলোকৰ নিজৰ নিজৰ প্ৰেজেন্টেশ্বন অনুশীলন কৰিবলৈ দিবা

**132.** শ্ৰৱণ দক্ষতা বৃদ্ধি কৰিবৰ বাবে শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক ৰে'লৰে ঘোষণাবোৰ শুনি ট্ৰেইনবোৰৰ অহা আৰু যোৱা সময় ভৰাই তালিকা বা Table তৈয়াৰ কৰিবলৈ দিছে। এই কাৰ্যত ছাত্ৰ-ছাত্ৰীসকলে

(1) অ'ডিঅ' ৰেকৰ্ডিঙৰ ওপৰত ভিত্তি কৰি Tabulation সম্পূৰ্ণ কৰিছে

(2) ঘোষণাবোৰ ডাঙৰকৈ পঢ়িছে

(3) তথ্যৰে ভৰা তালিকাৰ অৰ্থোদ্ধাৰৰ কাম কৰিছে

(4) চুটি দৈৰ্ঘ্যৰ ফিল্ম এখন চাইছে

**133.** বয়ঃসন্ধিৰ পাছত নতুন ভাষা এটা শিকিলে বিদেশী ভাষাটোৰ

(1) স্বাভাৱিক আহৰণ (acquisition) হয়

(2) আহৰণত অসুবিধা হয়

(3) দখল হেৰুৱায়

(4) বেছি দখল হয়

**134.** ই-শিক্ষা (e-learning) হ'ল

(1) দূৰ শিক্ষা

(2) তথ্যচিত্ৰ

(3) প্ৰযুক্তি ব্যৱহাৰ কৰি মিশ্ৰ শিক্ষা

(4) সক্ৰিয়ভাৱে 'হাৰ্ডৱেৰ'-ৰ ব্যৱহাৰ

**135.** দ্বি-ভাষিক শ্ৰেণী এটাত লক্ষ্য-ভাষা এটাৰ কথিত ৰূপ আৰু বৌদ্ধিক বা সাহিত্যিক ৰূপটোৰ পাৰ্থক্য বুজি পাবলৈ ছাত্ৰ-ছাত্ৰীসকলে কি কৰিব লাগে?

(1) লক্ষ্য-ভাষাটোত লিখা অধিক কিতাপ পঢ়িব লাগে

(2) ইংৰাজীত বেছিকৈ লিখিব লাগে

(3) বেছিকৈ দ্বি-ভাষিক চলচ্চিত্ৰ চাব লাগে

(4) লক্ষ্য-ভাষাটো ক'ব লাগে

**136.** শ্ৰেণী এটাত ছাত্ৰ-ছাত্ৰীকেইজনমান ভাষা দক্ষতাৰ ক্ষেত্ৰত লগৰবোৰতকৈ পিছ পৰি আছে। তেঁওলোকক সহায় কৰিবলৈ প্ৰস্তুত কৰা শিক্ষণ প্ৰণালীটো হ'ল

(1) চামাৰাইযেশ্বন

(2) ৰিফৰ্মুলেশ্বন

(3) ৰিমে'ডিয়েশ্বন

(4) ৰিভিযন

**137.** মিশ্ৰিত দক্ষতাৰ ছাত্ৰ-ছাত্ৰীৰে ভৰা শ্ৰেণীকোঠা এটাৰ পাঠ্যক্ৰমত কি থকাটো প্ৰয়োজনীয়?

(1) ছাত্ৰ-ছাত্ৰীসকলক একেধৰণৰ বা সমসত্ত্ব গোটত (homogeneous group) নিৰ্দিষ্ট সময়ৰ বাবে ৰখাৰ ব্যৱস্থা

(2) বেলেগ বেলেগ ধৰণৰ Learning Profile থকা ছাত্ৰ-ছাত্ৰীৰ মাজত বাৰ্তা বিনিময়ৰ সুযোগ

(3) অংক আৰু ভাষাত বিশেষ গুৰুত্ব

(4) ক্ৰীড়া আৰু ভাষাত গুৰুত্ব

**138.** অশুদ্ধ ধাৰণাটো চিহ্নিত কৰা : ছাত্ৰ-ছাত্ৰীক পঢ়িবলৈ দিয়া অসমীয়া ভাষাৰ পাঠ্যপুথিত থকাটো আৱশ্যকীয়

(1) শিক্ষণ প্ৰণালীৰ ক্ৰমৰ নিৰ্দেশ

(2) তথ্যৰ সুষম প্ৰদৰ্শন

(3) শিকা অভিজ্ঞতাৰ বাবে শৃংখলিত তথা সংগঠিত ইউনিট

(4) শিক্ষকৰ বাবে বিশদভাবে বৰ্ণিত লেছন প্লেন

**139.** ভাষা শিকোঁতে কিছুমান নিৰ্দিষ্ট ধৰণৰ ব্যাকৰণগত ভুল স্বাভাৱিকতেই হয়। এই ক্ষেত্ৰত শিক্ষকে

(1) ছাত্ৰ-ছাত্ৰীৰ ভুল হ'লেই শ্ৰেণীকোঠাতে শুধৰাই দিব লাগে, যাতে তেওঁলোকে আনৰ ভুলৰ পৰাও শিকে

(2) শিক্ষাৰ্থীগৰাকীৰ ভাগৰ ক'বলগীয়া বা পঢ়িবলগীয়া অংশটো শেষ হোৱালৈ ৰ'ব লাগে আৰু তাৰ পাছত আটাইতকৈ সাধাৰণ (common) ভুলবোৰ শুধৰাবলৈ দিব লাগে

(3) ছাত্ৰ-ছাত্ৰীয়ে ভুল কৰিলে কৰিবলৈ দিব লাগে, কাৰণ ই স্বাভাৱিক

(4) 'দুৰ্বল' ছাত্ৰ-ছাত্ৰীবোৰ চিনাক্ত কৰি তেওঁলোকৰ কাৰণে বিশেষ শ্ৰেণী লোৱাৰ ব্যৱস্থা কৰিব লাগে

**140.** এগৰাকী বিদেশী ভাষী বা অনা-মাতৃভাষী ভাষা শিক্ষকে প্ৰায়েই শ্ৰেণীকোঠাত দ্বিধাগ্ৰস্ত আৰু অনুপ্ৰেৰণাৰহিত শিকাৰুৰ সন্মুখীন হ'বলগীয়া হয়। এই সমস্যাটো দূৰ কৰিবৰ বাবে

(1) বৌদ্ধিক বিশেষজ্ঞ এজনৰ সহায় ল'ব লাগে আৰু তেওঁক শ্ৰেণীটোক উদ্দেশ্য কৰি ক'বলৈ দিব লাগে

(2) 'অনুপ্ৰেৰণাৰহিত' শিকাৰুসকলক চিনাক্ত কৰি তেওঁলোকৰ বাবে বিশেষ শ্ৰেণী লোৱাৰ ব্যৱস্থা কৰিব লাগে

(3) শিকাৰুক তেঁওলোকক কৰিবলৈ কাম নিজৰ মতে সময় লৈ কৰিবলৈ উৎসাহিত কৰিব লাগে

(4) শ্ৰেণীকোঠাটোত শিক্ষণ কাৰ্যটো অধিক প্ৰত্যাহ্বানমূলক কৰি তুলিবলৈ প্ৰণালী (method) আৰু কৌশল (strategy) প্ৰয়োগ কৰিব লাগে

**141.** "ভাষাৰ শিক্ষাৰ্থীয়ে কৰি-কৰিবলৈ শিকে।" এই মন্তব্যটো কোনটো কাৰ্যই সমৰ্থন কৰে ?

(1) অনুমোদিত পাঠ এটাৰ অৰ্থ ভালদৰে বুজি পাবলৈ মাতৃভাষাৰ ব্যৱহাৰ কৰাত উৎসাহ দিব লাগে

(2) মূৰ্ত (concrete) পাঠৰ পৰা বিমূৰ্ত (abstract) পাঠলৈ যাব লাগে

(3) শিক্ষকে লিখন আৰু কথন ভংগিৰ শৈলীৰ চানেকি দেখুৱায় আৰু ছাত্ৰ-ছাত্ৰীয়ে তাকে অনুকৰণ কৰে

(4) অনুশীলনৰ সুবিধা অত্যন্ত গুৰুত্বপূৰ্ণ, কাৰণ ই অভ্যাস গঠনত সহায় কৰে

*নির্দেশ* : নিম্নোক্ত পৰিচ্ছেদটো ভালদৰে পঢ়া। পৰিচ্ছেদটোৰ শেষত নটা প্ৰশ্ন (প্ৰশ্ন নং **142**-ৰ পৰা **150** লৈ) আৰু প্ৰতিটো প্ৰশ্নৰে তলত চাৰিটাকৈ বিকল্প উত্তৰ দিয়া আছে। তাৰ পৰা আটাইতকৈ উপযুক্ত উত্তৰটো চিহ্নিত কৰি প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

আমাৰ জনমভূমি ভাৰতবৰ্ষ এখন বৈচিত্ৰ্যপূৰ্ণ দেশ। ইয়াৰ ভৌগোলিক অৱস্থান, বিভিন্ন সময়ত প্ৰৱাহিত হোৱা নানা জাতি, ধৰ্ম, ভাষা, আচাৰ-ব্যৱহাৰ, কলা-সংস্কৃতি কঢ়িয়াই অনা জনস্ৰোতে এই দেশক বিচিত্ৰতা প্ৰদান কৰিছে। কেইবা হাজাৰ বছৰৰ পূৰ্বতে এটা সময়ত পৃথিৱীৰ বহু দেশ জ্ঞানৰ পোহৰ লাভ কৰাৰ পৰা বঞ্চিত আছিল। তেতিয়াই ভাৰতবৰ্ষই দৰ্শন, বিজ্ঞান, সাহিত্য, সুকুমাৰ-কলা আদি সকলো বিষয়তে জ্ঞানৰ উচ্চ শিখৰত নিজকে সুপ্ৰতিষ্ঠিত কৰিব পাৰিছিল। প্ৰাচীন সভ্যতাৰ প্ৰভাৱে সমুজ্জ্বল এই দেশ সেই বাবেই পৃথিৱীৰ সমগ্ৰ দেশৰে অগ্ৰণী আৰু প্ৰেৰণাৰ কেন্দ্ৰ স্বৰূপ।

ভাৰতৰ ভৌগোলিক অৱস্থিতি বৈচিত্ৰ্যপূৰ্ণ। এফালে যেনেকৈ সুউচ্চ পৰ্বতমালা তেনেকৈ আন ফালে সুগভীৰ সাগৰ-মহাসাগৰ। এফালে বিস্তীৰ্ণ সমতল ভূমি, আন ফালে বিশাল মালভূমি; এফালে দ্বীপমালা, আন ফালে হ্ৰদ-জলাশয়। অঞ্চল বিশেষে একোটা সময়ত ডেই-পুৰি নিয়া গ্ৰীষ্মৰ প্ৰবলতা, আন সময়ত প্ৰচণ্ড শীতলতাৰ ঠেঁটুৰৈ ধৰা তীব্ৰতা। তেনেকৈ এফালে মৌচুমীৰ নেৰা-নেপেৰা বৰষুণ আৰু ধুমুহাৰ তাণ্ডৱ, আন ফালে আকৌ বিস্তীৰ্ণ মৰুভূমিৰ উত্তপ্ত শুষ্কতা আৰু জলাভাৱ। এনে পৰস্পৰ-বিৰোধী ভৌগোলিক আৰু প্ৰাকৃতিক পৰিবেশে এই দেশক বিশিষ্টতা প্ৰদান কৰিছে।

ভাৰতীয় মানুহৰ জাতি বা গোষ্ঠীগত ভিন্নতাও বিশেষ তাৎপৰ্যপূৰ্ণ। ভাৰতৰ আদিম অধিবাসীসকল হ'ল বৰ্তমানৰ অনুসূচিত জনজাতিসকল। এওঁলোকে পৰ্বতৰ গুহা, গছৰ খোৰোঙ বা জঙ্গলত বাস কৰিছিল। পিচলৈ তেওঁলোকৰ সতি-সন্ততিসকল বাহিৰলৈ ওলাই আহি ঘৰ-দুৱাৰ সাজি মধ্যপ্ৰদেশ, বিহাৰ, ওড়িশা আদি ৰাজ্যত খোপনি পুতি থাকিবলৈ লয়। এওঁলোক হ'ল—কোল, মুণ্ডা, কুৰুখ, চাওতাল আদি। ভাৰতলৈ আহি থিতাপি লোৱা সুপ্ৰাচীন মানৱ গোষ্ঠীটো হ'ল দ্ৰাবিড়সকল। বৰ্তমান দক্ষিণ ভাৰতৰ তামিল, তেলেগু, কান্নাড়ীগা, মালায়ালী আদি লোকসকল এই গোষ্ঠীৰে উত্তৰ পুৰুষ। দ্ৰাবিড়সকলৰ অগা-পিচাকৈ চীন মহাদেশৰ পৰা অহা তিব্বত-বৰ্মী গোষ্ঠীৰ জনস্ৰোত এৱা-ধৰাকৈ ভাৰতৰ পূব মূৰেদি সোমাই উত্তৰ-পূব ভাৰতৰ হিমালয়ৰ পাদদেশত বিয়পি পৰিছিল। তেওঁলোক হ'ল মিজো, মাৰ, মেইতেই, নাগা, মিচিং, বড়ো-কছাৰি, ডফলা, চিংফৌ আৰু ভুটিয়া, গাৰোৱালী, কুমায়ুনী আদি পাহাৰী জাতি।

ঐতিহাসিক সূত্ৰৰ খেও ধৰি আমি পাওঁ যে দ্ৰাবিড়সকলে পোনতে ভাৰতৰ উত্তৰ-পশ্চিম অঞ্চলত বসবাস কৰিছিল। সেই সময়তে প্ৰায় ৪০০০ বছৰ পূৰ্বে ইণ্ডো-ইউৰোপীয় জনগোষ্ঠীৰে আৰ্য নামে শাখা এটি উত্তৰ-পশ্চিম দিশেদি ভাৰতত প্ৰৱেশ কৰে। তেওঁলোকে দ্ৰাবিড়সকলক দক্ষিণ ভাৰতলৈ খেদি পঠিয়ায় আৰু পঞ্জাৱকে ধৰি ক্ৰমে গোটেই উত্তৰ-পূব ভাৰত দখল কৰি তাতে নিগাজি হয়। এওঁলোকে সমাজৰ মানুহক নিজস্ব যোগ্যতাৰ ভিত্তিত ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ এই চাৰিটা বৰ্ণত ভাগ কৰে। আৰ্যসকলৰ শাৰীৰিক গঠন আৰু ভাষা-সংস্কৃতি আনতকৈ পৃথক আছিল।

আৰ্যসকলৰ পাছতো ভাৰতবৰ্ষলৈ পৃথিৱীৰ চৌ-দিশৰ পৰা মানুহৰ সোঁত অবাৰিত গতিত বৈয়ে আছে। আৰ্যসকলে ভাৰতত খোপনি পুতি লোৱাৰ পাছত এচিয়া আৰু ইউৰোপৰ পৰা অহা কেইবাটাও পৰাক্ৰমী গোটে ভাৰতত ৰাজ্য স্থাপন কৰাৰ প্ৰমাণও বুৰঞ্জীত পোৱা যায়। সেইসকলৰ মাজত শক, কুশান, পাঠান, মোগল, পৰ্তুগীজ, ইংৰাজ, ফৰাচী আদিয়ে প্ৰধান। পূব ফালৰ পাটকাই পাহাৰ চেৰাই ব্ৰহ্মদেশৰ পৰা অহা টাই ফৈদৰ লোকসকলে ত্ৰয়োদশ শতিকাৰ পৰাই অসমত আহোম ৰাজ্য প্ৰতিষ্ঠা কৰাৰ ঘটনা ইতিহাস প্ৰসিদ্ধ। এই বিজেতাসকলৰ সৰহভাগেই ভাৰতবৰ্ষক আপোন কৰি লৈ আন ভাৰতীয়ৰ লগত মিলি গৈছিল।

**142.** তলৰ কোনটোৱে ভাৰতবৰ্ষক বিচিত্ৰতা প্ৰদান কৰাত সহায় কৰা নাই?

(1) ভৌগোলিক অৱস্থান

(2) নানা জাতি

(3) বিভিন্ন ধৰ্ম

(4) বিশাল মাটি-কালি

143. ভাৰতৰ আদিম অধিবাসীসকল হ'ল

(1) বৰ্তমান পাহাৰীয়া অঞ্চলত বসবাস কৰা-সকল

(2) বৰ্তমানৰ অনুসূচীত জনজাতিসকল

(3) গুহাবাসী লোক

(4) চিকাৰজীৱী লোক

144. ভাৰতলৈ আহি থিতাপি লোৱা সুপ্ৰাচীন মানৱ গোষ্ঠীটো হ'ল

(1) দ্ৰাবিড়সকল

(2) আৰ্যসকল

(3) ইণ্ডো-ইউৰোপীয় জনগোষ্ঠী

(4) টাই ফৈদৰ লোকসকল

145. ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ—এই চাৰিটা বৰ্ণ বিভাজনৰ ভিত্তি হ'ল

(1) জন্ম

(2) মানুহৰ নিজস্ব যোগ্যতা

(3) চৰ্মৰ বৰ্ণ

(4) জীৱিকা

146. টাই ফৈদৰ লোকসকল ক'ৰ পৰা আহিছিল ?

(1) ব্ৰহ্মদেশৰ পৰা

(2) চীন দেশৰ পৰা

(3) পাটকাই পাহাৰৰ পৰা

(4) চৰাইদেউৰ পৰা

147. দ্ৰাবিড়সকলে পোনতে ভাৰতৰ —— অঞ্চলত বসবাস কৰিছিল।

(1) দক্ষিণ-পশ্চিম

(2) উত্তৰ-পূব

(3) উত্তৰ-পশ্চিম

(4) উত্তৰ-দক্ষিণ

148. ইণ্ডো-ইউৰোপীয় জনগোষ্ঠীৰ আৰ্য শাখাটো ভাৰতলৈ আহিছিল

(1) ঐতিহাসিক যুগত

(2) প্ৰায় চাৰিশ বছৰৰ পূৰ্বে

(3) প্ৰাক্-ঐতিহাসিক যুগত

(4) প্ৰায় চাৰি হেজাৰ বছৰৰ পূৰ্বে

149. বৰ্তমান দক্ষিণ ভাৰতৰ তামিল, তেলেগু, কান্নাড়ী, মালায়ালী আদি লোকসকলৰ পূৰ্বপুৰুষ আছিল

(1) ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ লোকসকল

(2) চাওতালসকল

(3) আৰ্যসকল

(4) দ্ৰাবিড়সকল

150. এচিয়া আৰু ইউৰোপৰ পৰা অহা কেইবাটাও পৰাক্ৰমী গোটে ভাৰতত ৰাজ্য স্থাপন কৰিছিল

(1) আৰ্যসকলে ভাৰতত খোপনি পুতি লোৱাৰ পাছত

(2) আৰ্যসকলৰ লগত

(3) আৰ্যসকল ভাৰতলৈ অহাৰ সময়ত

(4) আৰ্যসকল ভাৰতলৈ অহাৰ আগত

SPACE FOR ROUGH WORK

*তলত দিয়া নিৰ্দেশাৱলী মনোযোগেৰে পঢ়া :*

1. প্ৰত্যেক প্ৰশ্নৰে চাৰিটা বিকল্প দিয়া হৈছে। শুদ্ধ উত্তৰটো (OMR) উত্তৰ-পত্ৰৰ দ্বিতীয় পিঠিত **নীলা/ক'লা বল পেনেৰে** ঘূৰণীয়াকৈ বোলাই দিয়া। এবাৰ চিহ্নিত কৰা উত্তৰটো পুনৰবাৰ পৰিৱৰ্তন কৰিব নোৱাৰা।

2. উত্তৰ-পত্ৰখন যাতে ভাঁজ কৰা নহয় সেইটো পৰীক্ষাৰ্থীয়ে নিশ্চিত কৰিব লাগিব। পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নম্বৰ (Roll No.) উত্তৰ-পত্ৰৰ নিৰ্ধাৰিত স্থানৰ বাহিৰে অন্য ঠাইত নিলিখে যেন।

3. প্ৰশ্ন-পত্ৰ আৰু উত্তৰ-পত্ৰ মনোযোগেৰে ব্যৱহাৰ কৰিবা। কাৰণ প্ৰশ্ন-পত্ৰ আৰু উত্তৰ-পত্ৰৰ কেৱল ক্ৰমিক সংখ্যাৰ খেলিমেলিৰ বাহিৰে বিকল্প প্ৰশ্ন-পত্ৰ আৰু উত্তৰ-পত্ৰ দিয়া নহ'ব।

4. পৰীক্ষা-পত্ৰ/উত্তৰ-পত্ৰত থকা ক্ৰমিক সংখ্যা উপস্থিতি পত্ৰত (Attendance Sheet) শুদ্ধভাৱে লিখিবা।

5. পৰীক্ষাৰ্থীয়ে পৰীক্ষাগৃহত প্ৰৱেশ পত্ৰৰ বা Admit Cardৰ বাহিৰে অন্য পাঠ সামগ্ৰী, কাগজ, পেজাৰ, মোবাইল ফোন আদি ইলেক্ট্ৰনিক সামগ্ৰী ব্যৱহাৰ কৰিব নোৱাৰে।

6. প্ৰত্যেক পৰীক্ষাৰ্থীয়ে নিৰীক্ষকক প্ৰৱেশ পত্ৰ দেখুৱাব।

7. নিৰীক্ষকৰ বিনা অনুমতিত পৰীক্ষাৰ্থীয়ে বাহিৰলৈ যাব নোৱাৰিব।

8. পৰীক্ষাৰ্থীয়ে কাৰ্যৰত নিৰীক্ষকক উত্তৰ-বহী নিদিয়াকৈ তথা উপস্থিতি-বহীত দ্বিতীয়বাৰ হস্তাক্ষৰ নকৰাকৈ পৰীক্ষা গৃহ ত্যাগ কৰিব নোৱাৰিব। যদি পৰীক্ষাৰ্থীয়ে দ্বিতীয়বাৰ উপস্থিতি-বহীত হস্তাক্ষৰ নকৰে তেনেহ'লে উত্তৰ-পত্ৰ নিদিয়া বুলি ধৰি লোৱা হ'ব আৰু ইয়াক অনুচিত কাৰ্য বুলি বিবেচনা কৰা হ'ব।

9. ইলেক্ট্ৰনিক/হস্তচালিত কেলকুলেটৰৰ প্ৰয়োগ কৰিব নোৱাৰিব।

10. পৰীক্ষা গৃহত পৰীক্ষাৰ্থী বোৰ্ডৰ নিয়ম অনুসাৰে পৰিচালিত হ'ব লাগিব। সকলো অনুচিত কাৰ্যৰ বাবে বোৰ্ডৰ সিদ্ধান্তই চূড়ান্ত হ'ব।

11. কোনো কাৰণতে পৰীক্ষাৰ্থীয়ে পৰীক্ষা-পত্ৰ আৰু উত্তৰ-পত্ৰ কোনো অংশকেই পৃথক কৰিব নোৱাৰিব।

12. **পৰীক্ষাৰ অন্তত পৰীক্ষাৰ্থীয়ে পৰীক্ষা গৃহ ত্যাগ কৰাৰ পূৰ্বে উত্তৰ-পত্ৰ নিৰীক্ষকৰ হাতত জমা দিব লাগিব। পৰীক্ষাৰ্থীয়ে পৰীক্ষা-পত্ৰ লগত নিব পাৰে।**

**READ THE FOLLOWING INSTRUCTIONS CAREFULLY :**

1. Out of the four alternatives for each question, only one circle for the correct answer is to be darkened completely with Blue/Black Ballpoint Pen on **Side-2** of the OMR Answer Sheet. The answer once marked is not liable to be changed.
2. The candidates should ensure that the Answer Sheet is not folded. Do not make any stray marks on the Answer Sheet. Do not write your Roll No. anywhere else except in the specified space in the Answer Sheet.
3. Handle the Test Booklet and Answer Sheet with care, as under no circumstances (except for discrepancy in Test Booklet Code or Number and Answer Sheet Code or Number), another set will be provided.
4. The candidates will write the correct Test Booklet Code and Number as given in the Test Booklet/Answer Sheet in the Attendance Sheet.
5. Candidates are not allowed to carry any textual material, printed or written, bits of papers, pager, mobile phone, electronic device or any other material except the Admit Card inside the Examination Hall/Room.
6. Each candidate must show on demand his/her Admit Card to the Invigilator.
7. No candidate, without special permission of the Superintendent or Invigilator, should leave his/her seat.
8. The candidates should not leave the Examination Hall without handing over their Answer Sheet to the Invigilator on duty and sign the Attendance Sheet twice. Cases where a candidate has not signed the Attendance Sheet, a second time will be deemed not to have handed over the Answer Sheet and dealt with as an unfair means case.
9. Use of Electronic/Manual Calculator is prohibited.
10. The candidates are governed by all Rules and Regulations of the Board with regard to their conduct in the Examination Hall. All cases of unfair means will be dealt with as per Rules and Regulations of the Board.
11. No part of the Test Booklet and Answer Sheet shall be detached under any circumstances.
12. **On completion of the test, the candidate must hand over the Answer Sheet to the Invigilator in the Room/Hall. *The candidates are allowed to take away this Test Booklet with them.***

**निम्नलिखित निर्देशों को ध्यान से पढ़ें :**

1. प्रत्येक प्रश्न के लिए दिए गए चार विकल्पों में से सही उत्तर के लिए OMR उत्तर-पत्र के **पृष्ठ-2** पर केवल एक वृत्त को ही पूरी तरह नीले/काले बॉलपॉइंट पेन से भरें। एक बार उत्तर अंकित करने के बाद उसे बदला नहीं जा सकता है।
2. परीक्षार्थी सुनिश्चित करें कि इस उत्तर-पत्र को मोड़ा न जाए एवं उस पर कोई अन्य निशान न लगाएँ। परीक्षार्थी अपना अनुक्रमांक उत्तर-पत्र में निर्धारित स्थान के अतिरिक्त अन्यत्र न लिखें।
3. परीक्षा पुस्तिका एवं उत्तर-पत्र का ध्यानपूर्वक प्रयोग करें, क्योंकि किसी भी परिस्थिति में (केवल परीक्षा पुस्तिका एवं उत्तर-पत्र के संकेत या संख्या में भिन्नता की स्थिति को छोड़कर) दूसरी परीक्षा पुस्तिका उपलब्ध नहीं करायी जाएगी।
4. परीक्षा पुस्तिका/उत्तर-पत्र में दिए गए परीक्षा पुस्तिका संकेत व संख्या को परीक्षार्थी सही तरीके से हाजिरी-पत्र में लिखें।
5. परीक्षार्थी द्वारा परीक्षा हॉल/कक्ष में प्रवेश-कार्ड के सिवाय किसी प्रकार की पाठ्य-सामग्री, मुद्रित या हस्तलिखित, कागज की पर्चियाँ, पेजर, मोबाइल फोन, इलेक्ट्रॉनिक उपकरण या किसी अन्य प्रकार की सामग्री को ले जाने या उपयोग करने की अनुमति नहीं है।
6. पूछे जाने पर प्रत्येक परीक्षार्थी, निरीक्षक को अपना प्रवेश-कार्ड दिखाएँ।
7. अधीक्षक या निरीक्षक की विशेष अनुमति के बिना कोई परीक्षार्थी अपना स्थान न छोड़ें।
8. कार्यरत निरीक्षक को अपना उत्तर-पत्र दिए बिना एवं हाजिरी-पत्र पर दुबारा हस्ताक्षर किए बिना परीक्षार्थी परीक्षा हॉल नहीं छोड़ेंगे। यदि किसी परीक्षार्थी ने दूसरी बार हाजिरी-पत्र पर हस्ताक्षर नहीं किए, तो यह माना जाएगा कि उसने उत्तर-पत्र नहीं लौटाया है और यह अनुचित साधन का मामला माना जाएगा।
9. इलेक्ट्रॉनिक/हस्तचालित परिकलक का उपयोग वर्जित है।
10. परीक्षा हॉल में आचरण के लिए परीक्षार्थी बोर्ड के सभी नियमों एवं विनियमों द्वारा नियमित हैं। अनुचित साधनों के सभी मामलों का फैसला बोर्ड के नियमों एवं विनियमों के अनुसार होगा।
11. किसी हालत में परीक्षा पुस्तिका और उत्तर-पत्र का कोई भाग अलग न करें।
12. **परीक्षा सम्पन्न होने पर, परीक्षार्थी कक्ष/हॉल छोड़ने से पूर्व उत्तर-पत्र निरीक्षक को अवश्य सौंप दें। *परीक्षार्थी अपने साथ इस परीक्षा पुस्तिका को ले जा सकते हैं।***